আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MARCH 08, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭০ | Guwahati, Assam ।। মূল্যঃ এটকা

## ঘুণীয়া

■ পংকজ দাস

তিৰোতাবোৰ হাউলি থাকে
পথাৰত ভূঁই ৰোওতে
জুহালত চাউল সিজাওতে
তিৰোতাবোৰ হাউলি থাকে।
হালোতে হালোতে প্ৰায়ে
সিহঁত কুঁজা হৈ পৰে।
ছোৱালীবোৰে প্ৰথম হাউলিব শিকে
চোতাল সাৰোতে,
কলেজৰ দেওনা পাৰ হ'লেই
গতাই দিম বুলি কোৱা
ঘৰৰ মানুহৰ কথাত
সিহঁতে হাউলি দিয়ে।
কম বয়সত কোলাৰ কেঁচুৱাৰ ভৰত
সিহঁত হালে,
তেজ আৰু খাদ্যৰ অভাৱত
সিহঁত হাউলি পৰে
সময়ৰ অভাৱত
সিহঁতে সপোনবোৰৰ আগত
হাউলি দিয়ে।
হালোতে হালোতে প্ৰায়ে
সিহঁত কুঁজা হৈ পৰে
সেই কুঁজ আমি চাদৰেৰে ঢাকি কওঁ
আই মোৰ ইমান ধুনীয়া, ইমান ধুনীয়া।

## মৌন মূলসুঁতিৰ মিডিয়া! ছ'চিয়েল মিডিয়াত জনমত

# দুৰ্ঘটনাৰ ৪ দিনৰ অন্তত ৰুজু হ'ল গোচৰ





ই-সংবাদ, ৭ মাৰ্চঃ **মহানগৰীৰ খানাপাৰাত নিশাৰ ভাগত মন্ত্ৰীৰ তীব্ৰবেগী কনভয়ৰ খুন্দাত ৰূপম বৰা নামৰ ৩০ বছৰীয়া এজন যুৱকৰ মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি আজিও অব্যাহত আছে তীব্ৰ চাঞ্চল্য। মন্ত্ৰীৰ** শেষাংশ ২ পৃষ্ঠাত

## সাংবাদিকক মালিকৰ কথা চিন্তা কৰিবলৈ ক'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই

**ই-সংবাদ, ৭ মাৰ্চঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমনক লৈ আজি জনতা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কি কি কাৰ্যসূচীত অংশ ল'ব সেই কথা অসমৰ ৰাইজক অৱগত কৰে। নৰেন্দ্ৰ মোদীয়ে ৫ লাখ ৫৫ শেষাংশ ৪ পৃষ্ঠাত

## ৰাহুলৰ ৫টা গেৰাণ্টী

**জয়পুৰ, ৭ মাৰ্চঃ** ২০২৪ত ক্ষমতালৈ আহিলেই ৫টা গেৰেণ্টী পূৰণ কৰিব কংগ্ৰেছে। ভাৰত জোড়ো ন্যায় যাত্ৰাৰ মাজতে বৃহস্পতিবাৰে ৰাজস্থানৰ বনস্বৰাত এক ৰাজহুৱা সভাত এই প্ৰতিশ্ৰুতি প্ৰদান কৰে কংগ্ৰেছ সাংসদ শেষাংশ ৪ পৃষ্ঠাত

## দুদিনীয়া কাৰ্যসূচী

## অসমলৈ আজি মোদী

**ই-সংবাদ, ৭ মাৰ্চঃ** নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণক লৈ অসম বিজেপিৰ নেতা-কৰ্মী তথা চৰকাৰ ব্যাপক ব্যস্ত হৈ পৰিছে। কেইবাগৰাকী মন্ত্ৰীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু যোৰহাট শেষাংশ ৩ পৃষ্ঠাত

# 'কা' বলৱৎ কৰিলে ভোট নিদিবলৈ আহ্বান জুবিন গাৰ্গৰ

**ই-সংবাদ, ৭ মাৰ্চঃ** 'কা' বিৰোধী আন্দোলন ঘোষণা কৰা কাৰ্য ক্ৰমে জটিল হৈ পৰিছে। ঘোষণা কৰা আন্দোলনক বুজিবলৈ অসুবিধাত পৰিছে জনগণ। ইফালে, লোকসভা নিৰ্বাচনৰ পূৰ্বে 'কা' বলৱৎ কৰিবলৈ যো-জা চলাইছে কেন্দ্ৰীয় চৰকাৰে। খোদ কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে 'কা' বলৱৎ কৰাৰ কথা ঘোষণা কৰিছিল। তাৰ পাছতে বিভিন্ন দল-সংগঠনে 'কা'ৰ বিৰুদ্ধে আন্দোলন কৰাৰ হুংকাৰ দি আহিছে। আনহাতে পূৰ্বে ঘোষণা শেষাংশ ২ পৃষ্ঠাত



শ্ৰীনগৰত শংকৰাচাৰ্য পাহাৰক সেৱা প্ৰধানমন্ত্ৰী মোদীৰ

## মুখ্যমন্ত্ৰীৰ দাবী, কংগ্ৰেছ জয়ী হ'ব মাত্ৰ ৩০খনত!

**ই-সংবাদ, ৭ মাৰ্চঃ** উত্তৰ-পূৰ্বাঞ্চলত শাসকীয় বিজেপি নেতৃত্বৰ মিত্ৰজোঁটে কিমানখন আসন পাব সেই কথাৰ চৰ্চা চলি থকাৰ সময়তে আজি সেই ৰহস্য ভেদ কৰিছে অসমৰ বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শেষাংশ ৫ পৃষ্ঠাত

## বাংলাদেশত হঠাৎ ভাৰত বৰ্জন অভিযান

**ঢাকা, ৭ মাৰ্চঃ** মালদ্বীপৰ পিছত এইবাৰ আন এখন চুবুৰীয়া ৰাষ্ট্ৰত তীব্ৰতৰ হৈ পৰিছে ভাৰত বিৰোধী স্থিতি। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে মোদী চৰকাৰৰ উদ্বেগ বৃদ্ধি কৰি এইবাৰ চুবুৰীয়া বাংলাদেশত আৰম্ভ হৈছে 'ভাৰত বৰ্জন' অভিযান। কূটনৈতিক সূত্ৰ এটাৰ মতে, জানুৱাৰী মাহৰ বাংলাদেশ নিৰ্বাচনত ভাৰতৰ নৰেন্দ্ৰ মোদী চৰকাৰে সমৰ্থন আগবঢ়াইছিল শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্ঘটনাৰ ৪ দিনৰ অন্তত

কনভয়ৰ বলেৰ' বাহনে মহতিয়াই নিয়া ৰূপমজ্যোতি বৰাৰ হাস্পতালত মৃত্যু হৈছিল৷ বিগত চাৰিটা দিনত ৰাজ্য চৰকাৰ তথা অসম আৰক্ষীয়ে এই লৈ কোনোধৰণৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাছিল৷ ঘটনাক গাপ দিবলৈ মূলসুঁতিৰ সংবাদ মাধ্যমতো গুৰুত্বসহকাৰে প্ৰকাশ পোৱা নাছিল বাতৰি৷ কিন্তু সামাজিক মাধ্যমত বিষয়টোৱে লাভ কৰিছে ব্যাপক চৰ্চা। সামাজিক মাধ্যমত চলা চৰ্চাই এই লৈ এক জনমত গঠন কৰাও পৰিলক্ষিত হয়৷ ইয়াৰ পিছতে বিষয়টোক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ বাধ্য হৈছে আৰক্ষী৷ চাৰিটা দিনৰ অন্তত মাইক্ৰ'ব্লগিং ছাইট এক্সত এটা পোষ্ট দি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসম আৰক্ষীয়ে৷ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এক্সত পোষ্ট দি ঘটনাক লৈ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে৷ দিছপুৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰি আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে কয়, 'ছয়মাইলত এক পথ দুৰ্ঘটনাৰ ফলত মৃত্যু হৈছিল ৰূপমজ্যোতি বৰাৰ। এই সন্দৰ্ভত দিছপুৰ আৰক্ষী থানাত ১৯৮/২৪ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছে৷ বাহনখনৰ চালকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ বাবে তদন্ত কৰি থকা হৈছে। দুৰ্ঘটনাত জড়িত বলেৰ' বাহনখন অধিক অনুসন্ধানৰ বাবে জব্দ কৰা হৈছে। মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ অধীনত তদন্ত প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হৈছে।' উল্লেখ্য যে, গুৱাহাটী মহানগৰীৰ খানাপাৰাত এগৰাকী মন্ত্ৰীৰ তীব্ৰ বেগী কনভয়ে বাইকত খুন্দা মৰাৰ ফলত ৰূপমজ্যোতি বৰা নামৰ যুৱকে অকালতে মৃত্যুক আকোৱালি লৈছিল৷ কনভয়টো ৰাজ্য চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী পীযুষ হাজৰিকাৰ বুলিও পৰৱৰ্তী সময়ত জানিব পৰা গৈছিল। আনহাতে বাইকখনত থকা আন এজন যুৱকৰ অৱস্থা সংকটজনক আৰু বৰ্তমানো আইচিইউত চিকিৎসাধীন হৈ থকা বুলি জানিব পৰা গৈছে৷ জানিব পৰা মতে, ৩ মাৰ্চৰ নিশা প্ৰায় ১২ বজাত আৰক্ষীৰ পাইলট কাৰ থকা কনভয়ে তীব্ৰ বেগত খানাপাৰা দিশৰ পৰা গণেশগুৰি অভিমুখে আহি আছিল৷ তেনে সময়তে খানাপাৰা চ'কৰ পৰা প্ৰায় কিছু নিলগত ৰিচাৰ্জ গেট তথা ফুটব্ৰীজৰ সমীপত বাইকত অহা দুই যুৱকক তীব্ৰ গতিত খুন্দা মাৰে৷ যুৱক জনে বাইকত আহি আছিল৷ খালী পথেৰে দুই যুৱকে বাইকখন ইউ-টাৰ্ণ লৈ এপিএছচিৰ কাৰ্যালয়ৰ দিশে আহিব খুজিছিল৷ সেই সময়তে মন্ত্ৰীৰ কনভয়ৰ বাহনে বাইকখনত তীব্ৰ গতিত খুন্দা মাৰে৷ দুৰ্ঘটনাত পতিত বাহনখন এৰি মন্ত্ৰীৰ কনভয়টো তাৰ পৰা আতৰি যায়৷ তেজেৰে লুতুৰি-পুতুৰি হৈ দুই যুৱক পৰি ৰয়৷ একাংশ লোকে সমবেত হৈ থকাৰ সময়তে পৰিয়ালৰ লোকে এম্বুলেন্স মাতি আনিহে হাস্পতাললৈ নিয়ে যদিও ৰূপম বৰাই পুৱাই মৃত্যুক আকোৱালি লয়৷ উল্লেখ্য যে দিনদিয়েক পূৰ্বে উজনি অসমত এগৰাকী বিধায়কৰ কনভয়েও কেবাজনো লোকক মহতিয়াই নিছিল। একেদৰে যোৰহাটতো এগৰাকী মন্ত্ৰীৰ কনভয় পাৰ কৰাবৰ বাবে আৰক্ষীয়ে এম্বুলেন্স ৰখাই থোৱাৰ দৰে ঘটনাও শেহতীয়াকৈ পোহৰলৈ আহিছে। ইফালে, উক্ত ঘটনাক লৈ ৰাজ্যৰ প্ৰতিষ্ঠিত বাতৰি কাকত তথা নিউজ চেনেলসমূহত আন দুৰ্ঘটনাৰ বাতৰিৰ দৰে সবিস্তাৰে বাতৰি প্ৰকাশ নোপোৱা সন্দৰ্ভত এতিয়া ৰাজ্যৰ নেটিজেনৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়াত পৰিছে সংবাদ মাধ্যম। অধিকাংশ নেটিজেনে কেইবছৰমান পূৰ্বে মহানগৰীত নিশাৰ ভাগত এগৰাকী মডেলে সংঘটিত কৰা দুৰ্ঘটনাৰ বাতৰিক লৈ দিনে-নিশাই ব্যস্ত হৈ পৰা সংবাদ মাধ্যম মন্ত্ৰীৰ কনভয়ে সংঘটিত কৰা দুৰ্ঘটনাক লৈ কিয় মৌন বুলিও প্ৰশ্ন কৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কা' বলৱৎ কৰিলে ভোট


আন্দোলন বাতিল কৰিছে একাংশ সংগঠনে৷ ঘোষিত আন্দোলন বাৰে বাৰে বাতিল কৰি ৰাজ্যখনৰ আগশাৰীৰ জাতীয় সংগঠন আছুৱে ইয়াৰ অন্তৰালত পৰীক্ষা, আৰু প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ অজুহাত দেখুৱাইছে৷ যিগৰাকী প্ৰধানমন্ত্ৰীৰ নেতৃত্বৰ চৰকাৰে 'কা' জাপি দিব খুজিছে সেইগৰাকী প্ৰধানমন্ত্ৰীৰ আগমনত কৰিবলৈ ওলোৱা আন্দোলনো শেষ মুহূৰ্তত বাতিল কৰা হৈছে৷ সমান্তৰালভাৱে এইবাৰ 'কা' সন্দৰ্ভত নিশ্চুপ হৈ আছিল শিল্পী জুবিন গাৰ্গ৷ পূৰ্বে 'কা' বিৰোধী আন্দোলনক নেতৃত্ব দিয়াসকলৰ মাজত জুবিন গাৰ্গো আছিল অন্যতম৷ কিন্তু লোকসভা নিৰ্বাচনৰ পূৰ্বে 'কা' বলৱৎ কৰিবলৈ সাজু হোৱাৰ সময়তো জুবিন গাৰ্গ নিশ্চুপ হৈ আছিল৷ অৱশেষত বহু পলমকৈ জুবিন গাৰ্গে 'কা' বলৱৎক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ ৬ মাৰ্চৰ নিশা বাক্সা জিলাৰ মুছলপুৰত সাংস্কৃতিক সন্ধিয়াত অংশ লৈ জুবিন গাৰ্গে 'কা' নামানো বুলি স্পষ্ট কৰে৷ সাংস্কৃতিক সন্ধিয়াত সংগীত পৰিৱেশনৰ মাজতে 'কা'ক লৈ জুবিন গাৰ্গে আগবঢ়োৱা বক্তব্যই সামাজিক মাধ্যমত চৰ্চা লাভ কৰিছে। জুবিন গাৰ্গে কাকো খাটিৰ নকৰো বুলি কৈ কয়, 'মই স্থিতপ্ৰজ্ঞ। 'কা' মই নামানো। 'কা' বলৱৎ হ'ব নোৱাৰিব৷' জুবিন গাৰ্গে ৰাজনৈতিক দলৰ নেতাকো সমালোচনা কৰে৷ 'কা' আনিলে ভোট নিদিবলৈ ৰাইজক আহ্বান জনাই জুবিন গাৰ্গে কয় যে ভোট নিদিলে কোনেও মন্ত্ৰী-বিধায়ক হ'ব নোৱাৰে। 'মই কাকো খাটিৰ নকৰো। নো 'কা', আই ষ্টেণ্ড হিয়াৰ৷' 'কা'ৰ বিৰুদ্ধে সৰৱ হৈ জুবিন গাৰ্গে আৰু কয়, 'মই সলনি হোৱা নাই। মই এতিয়াও স্থিতপ্ৰজ্ঞ। 'কা' মই নামানো। 'কা' বলৱৎ হ'ব নোৱাৰে। কোনো মোদী বা হিমন্ত বিশ্ব শৰ্মাক মই খাটিৰ নকৰো। মোক কোনেও একো কৰিব নোৱাৰে।' প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু অসমৰ আৰক্ষী সঞ্চালক প্ৰধানে একো কৰিব নোৱাৰে বুলি হুংকাৰ দি 'কা' বলৱৎ হ'লে ভোট দিব নালাগে বুলি ৰাইজক আহ্বান জনায় শিল্পীগৰাকীয়ে। লগতে এইবাৰ আন্দোলনত চৰকাৰ তথা আৰক্ষীক কোনো তেজাল অসমীয়াৰ প্ৰাণ কাঢ়ি লবলৈ দিয়া নহ'ব বুলিও কয় জুবিনে। জটিল কথা আমাৰ দৰে সাধাৰণ লোকৰ বুজিবলৈ বৰ অসুবিধা হয় বুলিও কয় জুবিনে৷ উল্লেখ্য যে, জাতীয় দল-সংগঠন, 'কা' বিৰোধী নেতাৰ 'কা' মানি নোলোৱা আৰু আন্দোলনৰ হুংকাৰক এইবাৰ সন্দেহৰ দৃষ্টিৰে চাইছে ৰাইজ৷ কিয়নো বিগত সময়ছোৱাত হুংকাৰ দিয়া নেতাসকলৰ পৰস্পৰ বিৰোধী মন্তব্য আৰু স্থিতিয়ে ৰাইজক একপ্ৰকাৰ হতাশ কৰি তুলিছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমলৈ আজি মোদী

জিলাত বাহৰ পাতিছে৷ খোদ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লৈছে৷ কাইলৈ অৰ্থাৎ ৮ মাৰ্চৰ সন্ধিয়া দুদিনীয়া ভ্ৰমণ সূচীলৈ অসমত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী৷ ৮ মাৰ্চৰ সন্ধিয়া তেজপুৰত উপস্থিত হৈ কাজিৰঙাৰ কহঁৰাস্থিত আৰক্ষী অতিথিশালালৈ আহিব৷ কহঁৰাস্থিত আৰক্ষী অতিথিশালাত নিশা পাৰ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে৷ ৯ মাৰ্চৰ পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চল দৰ্শন কৰিব মোদীয়ে৷ নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে দুবাৰকৈ দায়িত্ব ল'লে যদিও কাজিৰঙালৈ প্ৰথমবাৰ আহিব৷ যাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে৷ কাজিৰঙা উদ্যানৰ অপূৰ্ব প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰাৰ লগতে অসমৰ মান-অভিমান এশিঙীয়া গঁড় স্বচক্ষে প্ৰত্যক্ষ কৰি জীপ ছাফাৰী নাইবা হাতী ছাফাৰী কৰিব পাৰে নৰেন্দ্ৰ মোদীয়ে৷ কাজিৰঙা উদ্যান কৰ্তৃপক্ষই এখন বিশেষ বাহনো ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে৷ বাহনখনত উঠি প্ৰধানমন্ত্ৰীয়ে বন্য জীৱ-জন্তু স্বচক্ষে প্ৰত্যক্ষ কৰিব৷ তাৰ পাছতে যোৰহাট অভিমুখে ৰাওনা হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী৷ যোৰহাটত উপস্থিত হৈ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব মোদীয়ে। বীৰ লাচিতৰ প্ৰতিমূৰ্তিৰ ৪১ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিৰ লগতে মেলেং-মেটেলি পথাৰত বহুকেইটা আঁচনি মুকলি কৰিব প্ৰধানমন্ত্ৰীয়ে। একেলগে ৫ লাখ ৫৫ হাজাৰ ৫৫৫টা চৰকাৰী প্ৰধানমন্ত্ৰীৰ আৱাস গৃহ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে নতুন ঘৰ লাভ কৰাসকলৰ বাবে মিঠাইৰ টোপোলা পঠাব বুলি উল্লেখ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ আজি জনতা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি নৰেন্দ্ৰ মোদীৰ ভ্ৰমণক লৈ কিছু তথ্য প্ৰকাশ কৰে৷ নৰেন্দ্ৰ মোদীয়ে তিনিচুকীয়া মেডিকেল কলেজ মুকলি কৰাৰ লগতে শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰ শিলা স্থাপন, ডিগবৈ, গুৱাহাটী তেল শোধনাগাৰৰ প্ৰকল্প মুকলি কৰিব। বাৰাউনী-গুৱাহাটী গেছ পৰিবাহী পাইপ মুকলি, ধূপধৰা-ছয়গাঁও ৰে'লপথ দ্বৈত কৰাৰ কাম শুভাৰম্ভ কৰিব। নিউ বঙাইগাঁও-সৰভোগৰ ৰে'ল পথ মুকলি কৰিব প্ৰধানমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ১০ হাজাৰ লাখপাতি বাইদেউ উপস্থিত থাকিবলগীয়া জনসভাত বুকলেট মুকলি কৰিব মোদীয়ে। ৪০ লাখ আত্মসহায়ক গোটৰ মহিলাই অংশগ্ৰহণ কৰিব প্ৰধানমন্ত্ৰীৰ সভাত। কাইলৈ বিয়লি ৪ বজাত তেজপুৰত উপস্থিত হ'ব নৰেন্দ্ৰ মোদী। ৯ মাৰ্চৰ পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান চাব। অসমৰ পৰা অৰুণাচললৈ যাব প্ৰধানমন্ত্ৰী। অৰুণাচলত দুখন সভাত অংশ লৈ বিয়লি দিল্লীলৈ উভতি যাব৷ ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণক একপ্ৰকাৰ প্ৰহসন আখ্যা দিছে বিৰোধীয়ে। কংগ্ৰেছে প্ৰধানমন্ত্ৰীক মণিপুৰলৈ যাবলৈকো আহ্বান জনাইছে।




মোদীৰ কাজিৰঙা ভ্ৰমণৰ পূৰ্বে বোকাখাতত এক লাখ বন্তি প্ৰজ্বলন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকক মালিকৰ কথা চিন্তা

হাজাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ ৰাইজক উৎসৰ্গিত কৰিব বুলিও উল্লেখ কৰে৷ তেনে সময়তে এটা নিউজ চেনেলৰ এগৰাকী সাংবাদিকে মুখ্যমন্ত্ৰীক এটা প্ৰশ্ন কৰে৷ সাংবাদিকগৰাকীৰ প্ৰশ্ন শুনিয়েই নাৰাজ হৈ পৰে মুখ্যমন্ত্ৰীগৰাকী৷ জাতিৰ উন্নতি ক'ত হ'ব বুলি কৈ শুভ দিনত নিগেটিভ কথা উলিয়াই নেকি বুলি খং কৰা দেখা যায়৷ চেনেলটোৰ সাংবাদিকক ওভতি ধৰি মুখ্যমন্ত্ৰীয়ে আপোনাৰ চেনেলটো নিগেটিভ হৈ যাব বুলি কয়৷ লগতে মালিকৰ চিন্তা কৰিবলৈ আৰু মালিকৰ দৰমহা লৈ মালিককে বেয়া কৰি থাকিলে কেনেকৈ হ'ব বুলিও কয় মুখ্যমন্ত্ৰীয়ে৷ প্ৰকৃততে আজি সংবাদমেলত প্ৰধানমন্ত্ৰীয়ে ৫ লাখ ৫৫ হাজাৰ লোকে আৱাস গৃহ লাভ কৰাৰ প্ৰসংগৰ মাজতে সাংবাদিকজনে মুখ্যমন্ত্ৰীক আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ নামত বহুত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ কথা উল্লেখ কৰি সেই সন্দৰ্ভক কিবা ব্যৱস্থা ল'ব নেকি বুলি প্ৰশ্ন কৰিছিল৷ তেনে সময়তে মুখ্যমন্ত্ৰীয়ে সাংবাদিকজনক ওভতি ধৰি কয়, 'আজি যদি ইমান ভাল দিনটোত আপোনাৰ মুখেৰে নিগেটিভ কথা ওলাই, তেন্তে জাতিটোৰ ক'ত উন্নতি হ'ব? বহুত শব্দটোৰ কোনো ধাৰণা নাই৷ কোনে পায় তাৰ ওপৰত আপোনাৰ ধাৰণা নাই৷ কিয় জাতিটোক তলত পেলাই দিয়ে? ৫ লাখ ৫৫ হাজাৰ দুখীয়া মানুহে ঘৰ পাইছে৷ ছাঁদ নথকা মানুহে ঘৰ পাইছে৷ কিমান আনন্দৰ কথা এয়া। এই ৫ লাখ ৫৫ হাজাৰ মানুহৰ ঘৰত আপোনাৰ চেনেলেটো আজিয়েই নিগেটিভ হৈ যাব৷ অলপতো মালিকৰ চিন্তা কৰা ভাই৷ মালিকৰ দৰমহা লৈ মালিককে বেয়া কৰি থাকিলে কেনেকৈ হ'ব?' মুখ্যমন্ত্ৰীয়ে সাংবাদিকজনক প্ৰশ্ন কৰাৰ বাবেই ওভতি ধৰি এনেদৰে বাক্যবাণ নিক্ষেপ কৰে৷ সংবাদমেলত প্ৰশ্ন সোধা বাবেই সাংবাদিকক মালিকৰ কথা ভাবিবলৈ পৰামৰ্শ দিয়া সত্বেও কিন্তু তাত উপস্থিত থকা বাকী সাংবাদিকসকলে মুখ্যমন্ত্ৰীক জবাবদিহি নকৰি মৌন হৈ ৰোৱা দেখা গ'ল৷ উল্লেখ্য যে সৰ্বসাধাৰণ ৰাইজৰ দৃষ্টিত এজন সাহসী আৰু ভাল সাংবাদিকৰ কামেই হৈছে প্ৰশ্ন কৰা। কিন্তু বিগত সময়ছোৱাত চৰকাৰ তথা চৰকাৰী পক্ষৰ নেতাসকলক সমগ্ৰ দেশৰ লগতে অসমৰ সাংবাদিকসকলেও প্ৰশ্ন কৰাৰ সাহস হেৰুৱাই পেলোৱা বুলি সময়ে সময়ে চৰ্চা হৈ আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুলৰ ৫টা গেৰাণ্টী

ৰাহুল গান্ধীয়ে। ২০২৪ চনত ইণ্ডিয়া মিত্ৰজোঁটে চৰকাৰ গঠন কৰাৰ পিছতে ৩০ লাখ চাকৰি প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে ৰাহুল গান্ধীয়ে। যুৱক-যুৱতী, দৰিদ্ৰ আৰু অন্যান্য শ্ৰেণীৰ বাবে দলৰ প্ৰস্তাৱিত পদক্ষেপৰ কথা উল্লেখ কৰি ৰাহুল গান্ধীয়ে কয় যে মোদী চৰকাৰৰ দিনত সংস্থাপনহীনতাত দুৰ্ভোগ ভুগিবলগীয়া হৈছে দেশৰ যুৱক-যুৱতীসকলে। ভাৰতত ৩০ লাখ চৰকাৰী পদ খালী আছে, কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে সেয়া পূৰণ কৰিবলৈ আগ্ৰহী নহয়। তেওঁ কয়, 'চৰকাৰলৈ অহাৰ পিছত আমাৰ প্ৰথম কাম হ'ব এই ৩০ লাখ চৰকাৰী পদত নিযুক্তিৰ ব্যৱস্থা কৰা।' জনসভাত ৫টা গেৰেণ্টীৰ কথা উল্লেখ কৰি ৰাহুল গান্ধীয়ে কয় যে চৰকাৰ গঠন কৰিলে নিযুক্তিৰ নিশ্চয়তাৰ লগতে প্ৰথম চাকৰি নিশ্চিত কৰাৰ কাম কৰা হ'ব। গান্ধীয়ে কয় যে প্ৰথম চাকৰি নিশ্চিত কৰাৰ বাবে নতুন প্ৰশিক্ষণ অধিকাৰ আইন অনুসৰি প্ৰতিজন ডিপ্লমাধাৰী বা কলেজৰ স্নাতকক ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ কোম্পানীত এবছৰৰ এপ্ৰেণ্টিছশ্বিপ (প্ৰশিক্ষণ)ৰ নিশ্চয়তা দিয়া হ'ব। এই সময়ছোৱাত প্ৰশিক্ষাৰ্থীসকলে ১ লাখ টকা (৮৫০০ টকা/মাহ) লাভ কৰিব। ইফালে তৃতীটো গেৰেণ্টী প্ৰদান কৰি কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে 'ইণ্ডিয়া' মিত্ৰজোঁটৰ চৰকাৰে প্ৰশ্নকাকত ফাদিল ৰোধ কৰিব। গান্ধীয়ে কয় যে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কাণ্ডই দেশৰ কোটি কোটি শিক্ষাৰ্থীৰ জীৱন ধ্বংসৰ মুখলৈ ঠেলি দিছে। আনহাতে, গিগ অৰ্থনীতিত সামাজিক সুৰক্ষা নিশ্চিত কৰি কংগ্ৰেছে প্ৰতি বছৰে গিগ অৰ্থনীতিত কৰ্মসংস্থাপন বিচৰা লাখ লাখ যুৱকৰ বাবে উন্নত কৰ্ম পৰিস্থিতি আৰু সামাজিক সুৰক্ষা নিশ্চিত কৰিবলৈ আইন অনাৰ গেৰেণ্টী প্ৰদান কৰে ৰাহুল গান্ধীয়ে। তদুপৰি, ৰাহুল গান্ধীয়ে কয় যে দেশৰ সকলো জিলাকে পাঁচ বছৰৰ বাবে আবণ্টন দিয়াৰ সুবিধাৰে কংগ্ৰেছে ৫ হাজাৰ কোটি টকাৰ পুঁজি আবণ্টন কৰিব। ৪০ বছৰৰ তলৰ যুৱক-যুৱতীসকলে যিকোনো ক্ষেত্ৰতে নিজৰ ব্যৱসায়ৰ বাবে ষ্টাৰ্ট-আপ ফাণ্ডিং লাভ কৰিব পাৰিব বুলিও গেৰেণ্টী প্ৰদান কৰে তেওঁ। ৰাহুল গান্ধীয়ে কয় যে যোৱা দহ বছৰৰ অন্যায়ৰ সময়ছোৱা ভয়ংকৰ নিবনুৱা সংকটৰ পৰা বুজিব পাৰি। এই অন্যায়ৰ সময়ছোৱাই লাখ লাখ শিক্ষিত আৰু অভিলাষী যুৱক-যুৱতীক নিজৰ অৰ্থনৈতিক ভৱিষ্যত উন্নত কৰাৰ পৰা বঞ্চিত কৰি ৰাখিছে বা সমাজ গঠনত অৰিহণা যোগোৱাৰ পৰা বঞ্চিত কৰিছে। আমি যুৱ প্ৰজন্মৰ বাবে এনে কাম কৰিম যাতে প্ৰতিজন যুৱকে নিজৰ ভৱিষ্যত সুৰক্ষিত কৰি সমাজ গঠনত অৰিহণা যোগাব পাৰে। অন্যায়ৰ এই অন্ধকাৰত আমি ন্যায়ৰ বন্তি প্ৰজ্বলন কৰিম।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ দাবী, কংগ্ৰেছ

শৰ্মাই৷ উত্তৰ-পূৰ্ৱৰ কমেও ২৩ খন আসনত জয়ী হ'ব বুলি দাবী কৰে শাসকীয় বিজেপি দলে৷ উত্তৰ-পূৰ্বাঞ্চলৰ ২৫ খন আসনৰ ভিতৰত ২৩ খন আসন লাভ কৰাৰ দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ আজি জনতা ভৱনত এখন সংবাদমেল সম্বোধন কৰি উত্তৰ-পূৰ্বাঞ্চলত আসন লাভত জটিলতা নাই বুলি দাবী কৰে৷ মুখ্যমন্ত্ৰীয়ে কয় যে এনডিএৰ প্ৰতি মানুহৰ আস্থা বৃদ্ধি পাইছে৷ এনডিএ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ২৫ খন আসনৰ ভিতৰত ২২ খন আসন লাভৰ বাবে সাজু হৈছে। সংখ্যা ২২ৰ পৰা ২৩ খনলৈও বৃদ্ধি হ'ব পাৰে৷ ইপিনে আগন্তুক লোকসভা নিৰ্বাচনত কংগ্ৰেছে ৩০ৰ পৰা ৪০ খনতকৈ অধিক আসন নাপায় বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, 'কংগ্ৰেছ ইতিমধ্যে এটা আঞ্চলিক দল হৈ পৰিছে৷ নিৰ্বাচনৰ পাছতে পুৰণি দলটোৰ অৱনতি ঘটিব। মই ভৱিষ্যতবাণী কৰি আছো যে বহু ৰাজ্যত কংগ্ৰেছ আঞ্চলিক দল হ'ব, ৰাষ্ট্ৰীয় হৈ নাথাকো৷ উন্নয়ন-আধাৰিত ৰাজনীতিৰ উত্থানত লোকসভা নিৰ্বাচনৰ পাছতে পৰিয়ালকেন্দ্ৰিক ৰাজনীতি সমাপ্ত হ'ব৷' মুখ্যমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ ভৱিষ্যত সন্দৰ্ভত আৰু কয়, 'মোৰ ইচ্ছা এই যে কংগ্ৰেছক ১১ খন আসনলৈ হ্ৰাস কৰা উচিত৷ কিন্তু সেয়া নহ'ব। মোৰ ইচ্ছা হৈছে যে তেওঁলোকক ১১ লৈ হ্ৰাস কৰিব লাগে৷'

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশত হঠাৎ ভাৰত

শ্বেখ হাছিনা আৰু তেওঁৰ দল আৱামী লীগক। আৰু ইয়াৰ পিছতে ঢাকাত একাংশই 'ভাৰত বৰ্জন' অভিযান আৰম্ভ কৰিছে। আনহাতে শ্বেখ হাছিনা আৰু আৱামী লীগৰ বিৰোধিতা কৰা সকলেও এই অভিযানত সহযোগ আগবঢ়াইছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীৰ ইমেজত প্ৰভাৱ পেলাব পৰা এই অভিযান লাঘৱ কৰিবলৈ হাছিনা চৰকাৰৰ সৈতে আলোচনা চলি থকা বুলিও সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰৰ মতে, বাংলাদেশত তীব্ৰতৰ হৈ পৰা এই 'ভাৰত বৰ্জন' অভিযান লাঘৱ কৰিবলৈ মোদী চৰকাৰে ৰমজান আৰু ঈদৰ পূৰ্বে ৫০ হাজাৰ টন পিঁয়াজ বাংলাদেশলৈ ৰপ্তানিৰ অনুমতি প্ৰদান কৰিছে। উল্লেখ্য যে, ভাৰতীয় বজাৰত যোগানৰ সংকট আৰু তাৰ বাবে মূল্যবৃদ্ধিৰ আশংকাত যোৱা বছৰৰ ডিচেম্বৰ মাহত দুই বন্ধু ৰাষ্ট্ৰ বাংলাদেশ আৰু সংযুক্ত আৰৱ আমিৰশ্বাহীলৈ পিঁয়াজৰ ৰপ্তানি বন্ধ কৰিছিল ভাৰতে। ইয়াৰ পিছতে দুয়োখন দেশত অভাৱনীয়ভাৱে বৃদ্ধি পাইছিল পিঁয়াজৰ মূল্য। কিন্তু এতিয়া বাংলাদেশত একাংশ ছ'চিয়াল মিডিয়া হেণ্ডেলযোগে ভাৰত বৰ্জন আৰম্ভ হোৱাৰ পিছতে পুনৰ ৰপ্তানিৰ অনুমতি প্ৰদান কৰিছে মোদী চৰকাৰে। ইফালে বাংলাদেশত তীব্ৰতৰ হৈ পৰা ভাৰত বৰ্জনৰ প্ৰভাৱ পৰিছে তাৰ বজাৰতো। যোৱা মাহত ঢাকাৰ পান্থপথ অঞ্চলৰ একাংশ দোকানে ভাৰতীয় সামগ্ৰী ল'বলৈ অস্বীকাৰ কৰিছিল। কিন্তু এইসমূহ দোকানত অধিক বিক্ৰী হোৱা সামগ্ৰীয়েই হৈছে ভাৰতীয় সামগ্ৰী। ঢাকা-চিটাগঙৰ বহু দোকানী আৰু শ্ৰমিকে কয় যে ভাৰতত নিৰ্মিত ৰন্ধন তেল, প্ৰচেছড ফুড, প্ৰসাধন সামগ্ৰী আৰু কাপোৰৰ বিক্ৰী বৰ্তমান কিছু হ্ৰাস পাইছে। দেশৰ বাহিৰত আত্মগোপন কৰি থকা জামাত-ই-ইছলামী আৰু বিএনপিৰ কঠোৰ সমৰ্থক বহু বাংলাদেশী ভুলগাৰে ভাৰত বিৰোধী অপপ্ৰচাৰ অনলাইনযোগে চলাবলৈ আৰম্ভ কৰিছে। মনকৰিবলগীয়া যে, ২০২৩ৰ নৱেম্বৰত 'ভাৰত বৰ্জন' প্ৰচাৰ চলাই মালদ্বীপৰ ৰাষ্ট্ৰপতিৰ শাসনত অধিষ্ঠিত হৈছিল মহম্মদ মুইজু। মালদ্বীপৰ সৈতে ভাৰতৰ সম্পৰ্কৰ অৱনতিৰ পিছত এইবাৰ বাংলাদেশতো একেদৰে ভাৰত বৰ্জনৰ প্ৰচাৰে উদ্বেগ বৃদ্ধি কৰিছে নতুন দিল্লীত। ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে এই প্ৰচাৰৰ আঁৰত পাকিস্তান সমৰ্থিত শক্তি জড়িত থকাৰ সন্দেহ কৰিছে। উল্লেখ্য যে, নেপালেও শেহতীয়াকৈ ভাৰতৰ পক্ষ এৰি চীনৰ প্ৰতি ধাৱিত হোৱা দেখা গৈছে।

# ৫ বছৰৰ মূৰত কাশ্মীৰত প্ৰধানমন্ত্ৰী

শ্ৰীনগৰ, ৭ মাৰ্চঃ ৫ বছৰৰ পিছত নিৰ্বাচনৰ ঠিক পূৰ্বে জম্মু-কাশ্মীৰত উপস্থিত হৈ বৃহস্পতিবাৰে শ্ৰীনগৰত এখন জনসভা সম্বোধন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। কেইবা তৰপৰীয়া নিৰাপত্তা বেষ্টনীৰ মাজত শ্ৰীনগৰৰ বক্সি ষ্টেডিয়ামত প্ৰায় ত্ৰিশ হাজাৰ লোকক সম্বোধন কৰি নৰেন্দ্ৰ মোদীয়ে কয় যে জম্মু-কাশ্মীৰে এতিয়া মুক্তভাৱে উশাহ লৈ নতুন উচ্চতা স্পৰ্শ কৰিছে। জম্মু-কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পিছত ইয়াৰ যুৱক-যুৱতীসকলে নতুন নতুন সুযোগৰ সন্ধান কৰিব পাৰিছে বুলিও মন্তব্য কৰে মোদীয়ে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়তে কেন্দ্ৰীয় শাসিত প্ৰদেশখনত প্ৰায় ৬৪০০ কোটি টকীয়া কেইবাটাও প্ৰকল্পৰো উদ্বোধন কৰে মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে এয়া নতুন জম্মু-কাশ্মীৰ, যাৰ বাবে আমি সকলোৱে বহু দশক ধৰি অপেক্ষা কৰি আছিলো। এয়া সেইখন জম্মু-কাশ্মীৰ, যাৰ বাবে শ্যামা প্ৰসাদ মুখাৰ্জীয়ে প্ৰাণ আহুতি দিছিল। জম্মু-কাশ্মীৰৰ যুৱ প্ৰজন্মৰ দুচকুত ভৱিষ্যতৰ জিলিকনি দেখা পোৱা যায়। তেওঁলোকৰ প্ৰত্যাহ্বান অতিক্ৰম কৰাৰ সাহস আছে। নিৰ্বাচনৰ পূৰ্বে সম্বোধন কৰা এই জনসভাত মোদীয়ে শ্ৰীনগৰক বিজেপিৰ সৈতে সংপৃক্ত কৰি কয় যে ইয়াৰ বিলত পদুম ফুলে আৰু বিজেপিৰ প্ৰতীকও পদুম ফুল। জম্মু-কাশ্মীৰৰ সৈতে বিজেপিৰ সম্পৰ্ক সকলোৱে জানে। তেওঁ কয় যে ৩৭০ অনুচ্ছেদৰ লাভ সাধাৰণ কাশ্মীৰীৰ বাবে নে একাংশ ৰাজনৈতিক পৰিয়ালে নিজৰ স্বাৰ্থত জনসাধাৰণক বিপথে পৰিচালিত কৰি আহিছিল সেয়া সকলোৱে জানে। মোদীয়ে কয় যে ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পিছত যুৱক-যুৱতীসকলে নতুন সুযোগ লাভ কৰিছে আৰু প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ উৎসাহিত হৈছে।

# জুবিন গাৰ্গৰ মন্তব্যত অসন্তুষ্ট মন্ত্ৰী ৰণজিৎ দাস

## ‘ভোট নিদিব বুলি ক'ব নালাগে’

**ই সংবাদ, ৭মাৰ্চঃ** ‘কা’ বলবৎ কৰিব খুজি আকোঁৰগোজ কেন্দ্ৰীয় চৰকাৰ। ইপিনে ‘কা’ বলবৎ কৰিব নিদিও বুলি অসমৰ দল-সংগঠনো আকোঁৰগোজ। ইয়াৰ মাজতে বিটিআৰৰ মুছলপুৰত এক সংগীতানুষ্ঠানত অংশ লৈ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গে ‘কা'ৰ বিৰুদ্ধাচাৰণ কৰি ‘কা’ মানি নোলোৱাৰ হুংকাৰ দি ‘কা’ বলবৎ হ’লে ভোট নিদিবলৈ আহ্বান জনায়। তাৰ পাছতে জুবিন গাৰ্গক উভতি ধৰিছে অসমৰ চৰকাৰৰ মন্ত্ৰী ৰণজিৎ দাসে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক ‘কা'ক লৈ মন্তব্য নিদিবলৈ আহ্বান জনাইছে। জুবিন গাৰ্গৰ মন্তব্যত নাৰাজ মন্ত্ৰী দাসে কয় যে আমি জানো জুবিন গাৰ্গ এজন শিল্পী। সকলোৱে তেওঁক ভাল পায়, তেওঁ এনে মন্তব্য দিয়াৰ পৰা দূৰত থকা উচিত। কিয়নো তেওঁ কেৱল অসমৰ নহয়, ভাৰতৰ শিল্পী আৰু ‘কা’ কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ ভাৰতৰ বাবে। মন্ত্ৰী দাসে দৃঢ়ভাৱে কয় যে কাইলৈ যদি বাংলাদেশত থকা কোঁচ, গাৰোসকল আহিব খোজে। তেন্তে বাধা দিব নেকি? তেওঁলোক ক’লৈ যাব। থলুৱাক আইন অনুসৰি কোনো বাধা দিয়াৰ ব্যৱস্থা থাকিব নালাগে। অসমৰ পৰা ‘কা’ বাতিলৰ বাবে শীৰ্ষ আদালতৰ কাষ চাপিব পাৰে। ভোট নিদিব বুলি ক'ব নালাগে, এয়া জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ।



নিশা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ এলিভেটেড কৰিডৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

# গুৱাহাটীৰ যুৱকৰ মৃতদেহ উদ্ধাৰ




**ই সংবাদ, ৭মাৰ্চঃ** মেঘালয়ৰ ৰাজধানী শ্বিলঙত গুৱাহাটীৰ এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। গুৱাহাটীৰ বেলতলাৰ যুৱকজনৰ মৃতদেহ এখন হোটেলৰ কোঠাত উদ্ধাৰ হয়। চিজো যোচেফ নামৰ যুৱকজনৰ মৃতদেহ শ্বিলঙৰ পুলিচ বজাৰৰ এচেম্বলী হোটেলত উদ্ধাৰ হয়। এচেম্বলী হোটেলত কোঠা লৈ আছিল চিজো যোচেফ। কিন্তু সম্পূৰ্ণ এটা দিন কোঠাৰ পৰা ওলাই অহা নাছিল। হোটেলখনৰ কৰ্মচাৰীসকলে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে কোঠাৰ দুৱাৰ ভাঙি যোচেফৰ মৃতদেহ বিচনাত পৰি থকা প্ৰত্যক্ষ কৰে। হোটেলৰ কোঠাৰ পৰা যোচেফৰ মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। শ্বিলং আৰক্ষীয়ে যোচেফৰ মৃতদেহ উদ্ধাৰৰ কথা পৰিয়ালক অৱগত কৰা বুলি জানিব পৰা গৈছে।

# নৱনিৰ্মিত শিৱ মন্দিৰত মূৰ্তিৰ প্ৰাণ প্ৰতিষ্ঠা

**ই সংবাদ, ৭ মাৰ্চঃ** কাইলৈ মহা শিৱৰাত্ৰি। দেৱাদিদেৱ মহাদেৱক আৰাধনা কৰিবলৈ সাজু হৈছে শিৱ ভক্ত। বিভিন্ন প্ৰান্তৰ লগতে খুমটাইৰ শাওঁতলীত নৱনিৰ্মিত শিৱ মন্দিৰৰ মূৰ্তিৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। হিন্দু যুৱ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত শাওঁতলী বাগিচা গদাপাণি শিৱ মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণেৰে মাংগলিক নীতি-নিয়মেৰে শিৱ মূৰ্তিৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব। শাওঁতলী বাগিচাৰ লগতে স্থানীয় শতাধিক লোকে মহাদেৱক আৰাধনা কৰি আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে মন্দিৰটোত। ভক্তিভৰা পৰিৱেশত শাওঁতলী বাগিচা গদাপাণি শিৱ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়।

# আহোম সংগঠনৰ আহ্বানলৈ বিৰোধী ঐক্য মঞ্চৰ সঁহাৰি

**গুৱাহাটী, ৭ মাৰ্চঃ** অসমীয়া জাতি ধ্বংসী নাগৰিকত্ব সংশোধনী আইন চমুকৈ 'কা' প্ৰত্যাহাৰৰ দাবীত ৯ মাৰ্চত কাজিৰঙা লোকসভা সমষ্টিৰ কলিয়াবৰ তিনিআলিত বিৰোধী ঐক্য মঞ্চই ৰূপায়ণ কৰিবলগীয়া প্ৰতিবাদী কাৰ্যসূচী ৮ মাৰ্চলৈ আগুৱাই দিয়া হৈছে। যোৰহাটত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত টাই আহোম ছাত্ৰ সন্থা আৰু আহোম জনগোষ্ঠীৰ কেবাটাও সংগঠনে ৯ মাৰ্চৰ দিনটোত কোনোধৰণৰ প্ৰতিবাদ জনাব নালাগে বুলি জনোৱা আহ্বানলৈ সঁহাৰি জনাই ঐক্যমঞ্চই উক্ত কাৰ্যসূচী আগুৱাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে বিৰোধী ঐক্যমঞ্চই 'কা' প্ৰত্যাহাৰৰ দাবীত প্ৰধানমন্ত্ৰীৰ সাক্ষাৎকাৰ বিচাৰি কৰা আবেদনৰ প্ৰত্যুত্তৰ নোপোৱাৰ প্ৰতিবাদত আৰু 'কা' প্ৰত্যাহাৰৰ দাবীত ৯ মাৰ্চত পুৱা ১১ বজাৰ পৰা অসমৰ ১৬টা ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু আহোম সংগঠনকেইটাৰ উক্ত আহ্বানৰ বাবে এতিয়া মোদীৰ অসম ভ্ৰমণৰ প্ৰথম দিনাখনেই অৰ্থাৎ ৮ মাৰ্চত একেটা স্থানতে অৱস্থান ধৰ্মঘটৰ জৰিয়তে 'কা'ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিব।

## সকলো সমীকৰণ কৰি সাজু কংগ্ৰেছ

# আমেঠিত ৰাহুল, ৰায়বৰেলীত প্ৰিয়ংকাই খেলিব নিৰ্বাচন



**ই সংবাদ, ৭মাৰ্চঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনলৈ ইতিমধ্যে সাজু হৈছে প্ৰতিটো ৰাজনৈতিক দল। বিজেপিৰ বিৰুদ্ধে মিত্ৰতা ঘোষণা কৰি ইতিমধ্যে বহু ৰাজ্যত আসনৰ বুজাবুজি কৰিছে বিৰোধী 'ইণ্ডিয়া' মিত্ৰজোঁটে। এনে সময়ত এইবাৰ কংগ্ৰেছৰ পৰম্পৰাগত আসনলৈ পুনৰ ঘূৰি আহিব পাৰে ৰাহুল গান্ধী। কংগ্ৰেছৰ এক সূত্ৰ অনুসৰি, আগন্তুক নিৰ্বাচনত আমেঠিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব ৰাহুল গান্ধীয়ে। ইফালে কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত ৰায় বৰেলীৰ পৰা এইবাৰ প্ৰিয়ংকা গান্ধীয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলিও চৰ্চা চলিছে। উল্লেখ্য যে, ২০০৪ চনৰ পৰা ২০১৪ চনলৈ তিনিবাৰকৈ আমেঠি লোকসভা আসনৰ পৰা সংসদলৈ নিৰ্বাচিত হৈছিল ৰাহুল গান্ধী। কিন্তু ২০১৪ত দেশজুৰি বলা মোদী লহৰৰ মাজতে ৰাহুল গান্ধীক পৰাজিত কৰি সেই সমষ্টিৰ পৰা জয়লাভ কৰে স্মৃতি ইৰাণীয়ে। কিন্তু সূত্ৰৰ খবৰ মতে, ৰাহুল গান্ধীয়ে এইবাৰ পুনৰ স্মৃতি ইৰাণীক প্ৰত্যাহ্বান জনাবলৈ সাজু হৈছে। ইয়াৰোপৰি দক্ষিণৰ কোনো এখন আসনৰ পৰাও প্ৰতিদ্বন্দ্বিতা কৰিব ৰাহুলে। ইফালে ১৯৯৯ চনৰ পৰা ২০১৯ চনলৈ একেৰাহে ছটা নিৰ্বাচনত কংগ্ৰেছে জয়লাভ কৰা কংগ্ৰেছৰ দুৰ্গস্বৰূপ ৰায় বৰেলী আসনৰ পৰা এইবাৰ প্ৰাৰ্থিত্ব লাভ কৰিব পৰে গান্ধী পৰিয়ালৰে আন এক সদস্য প্ৰিয়ংকা গান্ধী বাদ্ৰাই। এই আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিয়েই ২০০৪ চনৰ পৰা একেৰাহে পাঁচবাৰ (২০০৬ চনৰ উপ-নিৰ্বাচনকে ধৰি) সংসদলৈ নিৰ্বাচিত হৈছিল ছোনীয়া গান্ধী। কিন্তু পৰৱৰ্তী সময়ত ৰাজস্থানৰ পৰা ছোনীয়া গান্ধী ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ইফালে শেহতীয়াকৈ উত্তৰ প্ৰদেশত ইণ্ডিয়া মিত্ৰজোঁটৰ আসনৰ ভাগ-বতৰাত ১৭ খন আসন কংগ্ৰেছক এৰি দিয়ে সমাজবাদী পাৰ্টীয়ে, যাৰ ভিতৰত আছে আমেঠি আৰু ৰায় বৰেলী আসন দুখনো। যদি আমেঠি-ৰায় বৰেলীৰ পৰা গান্ধী পৰিয়ালে প্ৰতিদ্বন্দ্বিতা নকৰে, তেন্তে ইয়াক লৈ নৰেন্দ্ৰ মোদীকে ধৰি বিজেপিৰ নেতৃত্বই প্ৰচাৰত উঠাব বুলি ইতিমধ্যে ইংগিত পোৱা গৈছে। যোৱা শনিবাৰে বিহাৰত এখন ৰাজহুৱা সভাত মোদীয়ে কয় যে সংসদত মই কৈছিলো, সকলোৰে পলাই গৈছে। এইবাৰ লোকসভাৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কোনেও মান্তি হোৱা নাই। সকলোৰে ৰাজ্যসভাৰ আসন বিচাৰিছে। মোদীৰ এই মন্তব্যৰ পিছতে এছ পিৰ সভাপতি অখিলেশ যাদৱে ৰাজহুৱাভাৱে কয়, “মই জনাত গান্ধী পৰিয়ালৰ কোনোবা এজন আমেঠিৰ আৰু ৰায় বৰেলীৰ প্ৰাৰ্থী হ'ব। এই সন্দৰ্ভত কংগ্ৰেছে সিদ্ধান্ত ল'ব। কিন্তু এই দুখন আসন গান্ধী পৰিয়ালৰ পুৰণি, পৰম্পৰাগত আসন।''

## অসম তথা উত্তৰ পূৰ্বাঞ্চল বিদেশীৰ চৰণীয়া পথাৰ নহয়

# ‘কা’ বাতিল কৰাৰ দাবীত কোকৰাঝাৰত আছুৰ বাইক ৰেলী




**ই-সংবাদ, ৭ মাৰ্চঃ** ই-সংবাদ, কোকৰাঝাৰ, ৭ মাৰ্চঃ সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত কোকৰাঝাৰতো "কা" বিৰোধী আন্দোলন গা কৰি উঠিছে। কোকৰাঝাৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি সদৰ চহৰৰ আছু কাৰ্যালয়ৰ সন্মুখৰ পৰা "কা" বিৰোধী প্ৰতিবাদী বাইক ৰেলী উলিওৱা হয়৷ আছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি নৱজ্যোতি ৰায়ৰ নেতৃত্বত প্ৰায় শতাধিক আছু কৰ্মীয়ে বাইক ৰেলীত অংশগ্ৰহণ কৰে৷ হাতে ফেষ্টুন লৈ আছুৰ কৰ্মী সকলে অবৈধ বিদেশীবোজা জাপি দিয়া বন্ধ কৰক, ''কা'' আমি নামানো, ''কা'' আইন বাতিল কৰক” আদি ইত্যাদি শ্লোগান দি বাইক ৰেলী সম্পন্ন কৰে। সংবাদমাধ্যমৰ আগত আছু নেতা নৱজ্যোতি ৰায়ে কয় যে অসমখন চৰণীয়া পথাৰ নহয় যে অবৈধ নাগৰিকক অকল ধৰ্মৰ ভিত্তিত আমাৰ ভূমিত সংস্থাপন দিব৷ ''কা'' আইন আছুৱে কেতিয়াও মানি নলয়৷ "কা" অসাংবিধানিক আইন, অসম চুক্তি উলংঘন কৰি ধৰ্মৰ নামত সংস্থাপিত কৰা নচলিব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে "কা" বলৱৎ কৰাৰ কথা কৈছে যদিও আমি আমাৰ স্থিতিত দৃঢ়তাৰে অটল হৈ আছো বুলি মন্তব্য কৰি অসম তথা উত্তৰ পূৰ্বাঞ্চলত "কা" কেতিয়াও বলৱৎ হবলৈ দিয়া নহ'ব বুলি মন্তব্য কৰিছে আছুৰ উপ-সভাপতি নৱজ্যোতি ৰায়ে। উল্লেখ্য যে আজিৰ বাইক ৰেলীটোৱে কোকৰাঝাৰ চহৰৰ মাজেৰে ফকিৰাগ্ৰাম, শক্তিআশ্ৰম, চন্দ্ৰপাৰা পৰিভ্ৰমণ কৰে।

## ৱাৰ্কঅভাৰ! বুমেৰাং বিৰোধী ঐক্যমঞ্চ

**ই সংবাদ, ৭মাৰ্চঃ** নীতি-আদৰ্শৰ কথা কৈ বিজেপিক সমালোচনা কৰি অহা অসমৰ বিৰোধী দলসমূহে এক নীতিত থাকি মিত্ৰতাকে কৰিব নোৱাৰিলে৷ বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ যুঁজাৰ হুংকাৰ দি অহা বিৰোধ দলসমূহে ছত্ৰভংগ দিবলৈ আৰম্ভ কৰিছে৷ এক কথাত ক’বলৈ গ’লে বুমেৰাং হৈ পৰিল অসমৰ বিৰোধী মিত্ৰজোঁট৷ ইটোৰ পাছত সিটো দলে বিৰোধী মিত্ৰজোঁট এৰি গৈছে৷ আপ দলে পূৰ্বেই তিনিটা আসনত প্ৰাৰ্থী ঘোষণা কৰি মিত্ৰতাৰ ধৰ্ম ভংগ কৰিছে৷ তাৰ পাছতে তৃণমূল কংগ্ৰেছে মিত্ৰতা ভংগ কৰি সুকীয়াকৈ নিৰ্বাচন খেলাৰ ঘোষণা কৰে৷ এইবাৰ বামপন্থী দলসমূহে মিত্ৰজোঁটৰ পৰা ওলাই গৈছে৷ ইতিমধ্যে বিৰোধী মিত্ৰজোঁটৰ হোৱাটছএপ গ্ৰুপৰ পৰা ওলাই গৈছে চিপিআই আৰু চিপিআইএমে৷ আনহাতে, বামপন্থী দলে তিনিটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে৷ চিপিআই দলে যোৰহাট, কাজিৰঙা, লখিমপুৰত প্ৰাৰ্থী ঘোষণা কৰে৷ যোৰহাট সমষ্টিত কনক গগৈ, কাজিৰঙাত পৰমানন্দ দাস আৰু লখিমপুৰত ধীৰেন কছাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে চিপিআই দলে। আনহাতে, চিপিআইএম দলে বৰপেটা সমষ্টিত টিকট ঘোষণা কৰিব বুলি জানিব পৰা গৈছে৷ এক কথা ক’বলৈ গ’লে নীতিহীন এতিয়াৰ বিৰোধী৷ শাসকীয় দলক ৱাৰ্কঅভাৰ দিবলৈয়ে এনে পন্থা লৈছে নেকি বিৰোধীয়ে৷ শক্তিশালী শাসকীয় পক্ষক ৱাৰ্কঅভাৰ দিয়াৰ ইচ্ছা যদি আছিলেই তেন্তে বিৰোধী মিত্ৰজোঁট গঠনৰ কুচকাৱাজ কিহৰ বাবে কৰিছিল বুলিও প্ৰশ্নও উঠিছে৷

## অহা সপ্তাহত প্ৰকাশ পাব বিপিএফৰ প্ৰাৰ্থী তালিকা

# কলিতেই মৰহিল কংগ্ৰেছে-বিপিএফৰ মিত্ৰতা

**ই-সংবাদ, ওদালগুৰি, ৭ মাৰ্চঃ** বিগত দুদিন পূৰ্বে গুৱাহাটীৰ এখন গোপন হোটেলত কংগ্ৰেছ আৰু বিপিএফ দলৰ নেতা-কৰ্মীৰ মাজত হোৱা গোপন বৈঠকৰ বিষয়টো আজি মুকলিকৈ প্ৰকাশ কৰিলে বৈঠকত উপস্থিত দুই বিপিএফ নেতা ক্ৰমে ৰিহন দৈমাৰী আৰু দুৰ্গা দাস বড়োৱে। আজি ওদালগুৰিত বিষয়টো সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত প্ৰাক্তন মন্ত্ৰী তথা বিপিএফ নেতা ৰিহন দৈমাৰীয়ে কয়, "কংগ্ৰেছ দলটোৱে বিপিএফৰ সৈতে আলোচনা কৰাটো বিচাৰিছিল বাবে আমি আলোচনাত বহিছিলো। কংগ্ৰেছ দলৰ নেতৃত্বই আমাক বিৰোধী গোটবন্ধনত চামিল হোৱাৰ প্ৰস্তাৱ দিছিল যদিও আমি একেমুখে এই প্ৰস্তাৱ নাকচ কৰিছো। আলোচনা কৰাতো কোনো ভুল কথা নহয়। আমি যিহেতু এটা সৰু দল, গতিকে আমি আমাৰ প্ৰাৰ্থীৰ সমৰ্থনত আলোচনাত বহাটো কোনো ভুল কথা নহয়। যিহেতু আমি বিপিএফে নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰিম সেয়েহে আমাৰ প্ৰাৰ্থীগৰাকীক কেনেদৰে জয়ী কৰি আনিব পাৰো সেইটো চেষ্টা কৰিম। আমাৰ কাৰো লগত শত্ৰুতা নাই। আমাক কোনোৱাই সমৰ্থন দিব বিচাৰিলে আমি মানি লম। ইতিমধ্যে বিপিএফৰ কেন্দ্ৰীয় সমিতিয়ে সিদ্ধান্ত লৈছো যে দৰং-ওদালগুৰি লোকসভা সমষ্টিত আমি প্ৰাৰ্থী দিমেই, গতিকে সমষ্টিটোত কাকো এৰি দিয়াৰ প্ৰশ্ন নাই। এইবাৰ ৰাইজে বিচাৰিছে যে বিটিআৰৰ ৰাইজৰ সমস্যা সমাধান তথা সৰ্বাঙ্গীন উন্নয়ণৰ বাবে এগৰাকী স্থানীয় প্ৰাৰ্থীৰ প্ৰয়োজন আছে, সেয়েহে ৰাইজে এইবাৰ বিপিএফ দলৰ প্ৰাৰ্থীক ভোট প্ৰদান কৰি জয়ী কৰাব।" ইফালে কংগ্ৰেছৰ সৈতে হোৱা সভাত উপস্থিত থকা বিপিএফৰ বিধায়ক তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বিপিএফৰ সাম্ভাব্য প্ৰাৰ্থী দূৰ্গা দাস বড়োৱে এই সন্দৰ্ভত কয় "বিপিএফে একলা চলোনীতিৰে আগন্তুক লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হব। কোনো দলৰ সৈতে বিপিএফৰ মিত্ৰতা নহয়। যদিহে কোনো দলে বিপিএফৰ প্ৰাৰ্থীক সমৰ্থন দিব বিচাৰে তেন্তে দিব পাৰে। কিন্তু আগন্তুক লোকসভা নিৰ্বাচনত কোনো দলৰ সৈতে মিত্ৰতা নকৰাকৈ বিপিএফ দল অৱতীৰ্ণ হব। যোৱা ২০ বছৰে মঙ্গলদৈ লোকসভা সমষ্টিটো বহু যুদ্ধ কৰিও কৰিও কংগ্ৰেছে নিজৰ হাতলৈ নিবলৈ সক্ষম নহ'ল। কেতিয়াবা এআইইউডিএফেৰে যদি মিত্ৰতা কৰিছিল, কেতিয়াবা আকৌ বিপিএফেৰে মিত্ৰতা কৰিছিল কংগ্ৰেছেৰে। তথাপি যিহেতু আজিলৈ জয়ী হ'ব নোৱাৰিলে, গতিকে কংগ্ৰেছ দলটোৱে আগন্তুক লোকসভা নিৰ্বাচনত দৰং-ওদালগুৰি সমষ্টিটোৰ বিপিএফৰ প্ৰাৰ্থীগৰাকীক সমৰ্থন দিয়ক।" বিপিএফ দলৰ প্ৰাৰ্থী তালিকাখন ১১ মাৰ্চত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে যদিও কংগ্ৰেছৰ ইচ্ছা থকা স্বত্বেও এতিয়া বিপিএফেৰে মিত্ৰতা কলিতেই মৰহি যোৱাৰ উপক্ৰম হৈছে।

# গোৰেশ্বৰত দেউচুঙা ভিচিডিচিত আৱাস গৃহ প্ৰদানত দুৰ্নীতি

**ই সংবাদ, গোৰেশ্বৰ, ৭মাৰ্চঃ** বিটিআৰৰ গোৰেশ্বৰ খণ্ড উন্নয়নৰ বিষয়াৰ কাৰ্যালয়ত প্ৰধানমন্ত্ৰী আৱাস গৃহ আৱণ্টন দিয়াৰ নামত ব্যাপক স্বজন-তোষণ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ ধনৰ বিনিয়মত যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি আৰ্থকভাৱে সবল লোকক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আৱণ্টন দিয়াৰ অভিযোগ উত্থাপন হৈ আহিছে৷ এইবাৰ গোৰেশ্বৰৰ বাঙালীপাৰাত প্ৰধানমন্ত্ৰী আৱাসযোজনাৰ গৃহ আৱণ্টনৰ নামত ব্যাপক খেলি-মেলি হোৱাৰ অভিযোগ উত্থাপন হৈছে। বাঙালীপাৰাৰ দুখীয়া পৰিয়ালক বঞ্চিত কৰাৰ অভিযোগ উত্থাপন হৈছে। তালিকাত নাম থকাৰ পাছতো ৰহস্যজনকভাৱে হিতাধিকাৰীৰ নাম কৰ্তন কৰা হৈছে। দেউচুঙা ভিচিডিচিৰ তালিকাত হিতাধিকাৰীৰ নাম প্ৰকাশ পাইছিল। তাৰ পাছতো গোৰেশ্বৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বাঙালীপাৰাৰ মালতী বৰ্মন নামৰ মহিলাগৰাকীয়ে ঘৰ পাবলৈ সক্ষম নহল। ২০১৮-১৯ বৰ্ষত গৃহ আৱণ্টন হোৱাত ঘৰৰ লোকেচন টেগ কৰি ফটো পৰ্যন্ত মাৰি নিছিল। কিন্তু ৰহস্যজনকভাৱে গৃহ লাভ কৰাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ আনিছে মালতী বৰ্মনৰ পৰিয়ালে। গৃহ লাভ নকৰাত বৰ্তমান দৰিদ্ৰ পৰিয়ালে জৰাজীৰ্ণ মাটিৰ গৃহতে জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। গোৰেশ্বৰৰ দেউচুঙা ভিচিডিচিত বহু দুৰ্নীতি হোৱা বুলি অভিযোগ আনে মালতী বৰ্মনৰ স্বামীয়ে। চৰকাৰী চাকৰিয়ালেও গৃহ লাভ কৰাৰ অভিযোগ উঠিছে। কিন্তু দৰিদ্ৰ পৰিয়ালে চৰকাৰী গৃহ লাভৰ পৰা বঞ্চিত হোৱা বুলি ক্ষোভ ব্যক্ত কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীক এটি গৃহ পোৱাৰ ব্যৱস্থা কৰাৰ আহ্বান জনাইছে পৰিয়ালটোৱে।মৰহি যোৱাৰ উপক্ৰম হৈছে।

## ছুপাৰ এক্টিভ মুডত বিধায়ক লৰেন্স ইছলাৰী

# কোকৰাঝাৰত একেদিনাই সাতটাকৈ পকী পথৰ আধাৰশিলা স্থাপন




**ই-সংবাদ, কোকৰাঝাৰ, ৭ মাৰ্চঃ** মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত কোকৰাঝাৰত আজি একেদিনাই সাতটাকৈ পকী পথৰ আধাৰশিলা স্থাপন কৰে কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক তথা ইউপিপিএলৰ নেতা লৰেন্স ইছলাৰীয়ে। উল্লেখ্য যে কোকৰাঝাৰৰ সদৰ চহৰৰ নাতিদূৰৈৰ তিনালীত ১ কোটি ১৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা লাওৰীপাৰা-বাওদাবিল পথৰ আজি প্ৰথমে আধাৰশিলা স্থাপন কৰে বিধায়ক লৰেন্স ইছলাৰীয়ে। ইয়াৰ পিছতে আধাৰশিলা স্থাপন কৰে খাংক্লা বাজাৰ-লাওৰীপাৰা পথৰ। উক্ত পথটো নিৰ্মাণত ব্যয় হ'ব প্ৰায় ১ কোটি ৪০ লাখ টকা। ইয়াৰ পাছতে ৩ কোটি ৩ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলীয়া কাৰিগাঁও-আউদাং বজাৰ পথৰ আধাৰশিলা স্থাপন কৰা হয়। এনেদৰে পৰ্যায়ক্ৰমে আউজাৰগুৰী (১ কোটি ৩৮ লাখ), মেধিপাৰা (১ কোটি ৬৪ লাখ), দালোৱাবাৰী (১ কোটি ৫৯ লাখ) আৰু পাছকলঝোৰা পথৰ আধাৰশিলা আজি স্থাপন কৰে বিধায়ক লৰেন্স ইছলাৰীয়ে। ইপিনে সংবাদমাধ্যমৰ আগত জনসাধাৰণৰ যাতায়াতৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া পথৰ আধাৰশিলা স্থাপন কৰা হয় বুলি মন্তব্য কৰে বিধায়ক লৰেন্স ইছলাৰীয়ে। নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে যাতায়াত ব্যৱস্থা সুচল হৈ পৰিব বুলি আশা ব্যক্ত কৰি মুখ্যমন্ত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছে বিধায়ক লৰেন্স ইছলাৰীয়ে।

## পুনৰ বৰলুইতৰ বুকুত ভয়ংকৰ নাওঁ দুৰ্ঘটনা

**ই সংবাদ, ৭মাৰ্চঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ শিয়ালমাৰীত ব্ৰহ্মপুত্ৰৰ বুকুত পুনৰ নাও দুৰ্ঘটনা সংঘটিত হৈছে। কেইবা লক্ষ টকাৰ সামগ্ৰী কঢ়িয়াই নিয়া এখন নাও ব্ৰহ্মপুত্ৰৰ বুকুত দুৰ্ঘটনাত পতিত হোৱাত কোনো লোক হতাহত হোৱা নাই যদিও কেইবা লক্ষাধিক টকাৰ সামগ্ৰী পানীত পৰি নষ্ট হয়। ভাংনামাৰীৰ পৰা বহৰি বজাৰলৈ ব্ৰহ্মপুত্ৰৰ মাজেৰে ৬ গৰাকী লোক নাৱেৰে বিভিন্ন সামগ্ৰী নি আছিল। তেনে সময়তে বতাহৰ বাবে নাও দুৰ্ঘটনাত পতিত হয়। নিয়ন্ত্ৰণ হেৰুৱাই নদীৰ বুকুত বাগৰি পৰে নাওখন। ৬ যাত্ৰীৰ প্ৰাণ ৰক্ষা পৰে যদিও সামগ্ৰীসমূহ নষ্ট হয়। কেইবা লাখ টকাৰ সা-সম্পত্তি ডুবি নষ্ট হয়। দুৰ্ঘটনাত ব্যৱসায়ীৰ প্ৰায় ছয় লাখ টকাৰ সা-সামগ্ৰীৰ ক্ষয় ক্ষতি হয়। নাও দুৰ্ঘটনাত হোৱা ক্ষয় ক্ষতিৰ পাছতে চৰকাৰৰ সহায় বিচাৰিছে ব্যৱসায়ীসকলে।

# কোকৰাঝাৰত দুদিনীয়া কাৰ্যসূচীৰে নাৰী দিৱস উদযাপন

**ই-সংবাদ, কোকৰাঝাৰ, ৭ মাৰ্চঃ** কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত মহাবিদ্যালয়খনৰ এম এম বি প্ৰেক্ষাগৃহত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আন্ত:ৰ্জাতিক নাৰী দিৱসৰ কাৰ্যসূচী আৰম্ভ হৈছে৷ আজি প্ৰথম দিনৰ কাৰ্যসূচী মৰ্মে সাম্প্ৰতিক সময়ত যুৱ সমাজত ভয়ানক ভাৱে বৃদ্ধি পোৱা আত্মহত্যাৰ প্ৰৱণতা ৰোধ কৰাৰ বাবে মানসিক স্বাস্থ্য সজাগতা সৃষ্টিৰ বাবে এক কৰ্মশালা অনুষ্ঠিত হয়৷ কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ড° বনবীণা ব্ৰহ্মই সভাপতিত্ব কৰা সভাখনত বন্তি প্ৰজ্জ্বলনেৰে কাৰ্যসূচীৰশুভ উদ্বোধন কৰে মহাবিদ্যালয় খনৰ অধ্যক্ষ ড° ডিমাছা দিব্ৰাং মছাহাৰীয়ে। মহাবিদ্যালয়ৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী, অধ্যাপিকাসকলে অংশগ্ৰহণ কৰাউক্ত আলোচনা খনত সমল ব্যক্তি হিচাবে কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ মানসিক ৰোগ বিশেষজ্ঞ ডাঃ শ্ৰুতি শৰ্মা আৰু মনোবিজ্ঞানী ডাঃ উদাংশ্ৰী বসুমতাৰীয়ে অংশগ্ৰহণ কৰি আত্মহত্যাৰ প্ৰৱণতা কিহৰ বাবে বৃদ্ধি পাইছে তথা ইয়াৰ পৰা যুৱ প্ৰজন্মক কেনেদৰে ৰক্ষা আৰু আত্মহত্যা কেনেকৈ ৰোধ কৰিব পাৰি তাৰ ওপৰত বিতং তথ্য সমন্বিত পৰামৰ্শ আগবঢ়ায়৷ আলোচনা চক্ৰখনত অৱসৰপ্ৰাপ্ত অধ্যাপিকা ক্ৰমে ড° উল্কা মণ্ডল, ৰাজশ্ৰী নাথ,অঞ্জলী বসুমতাৰীয়েবিশিষ্ট ব্যক্তি হিচাবে অংশগ্ৰহণ কৰে৷ মহিলা কোষৰ আহ্বায়ক ড° দীপা দে'য়ে উদ্দেশ্য ব্যখ্যা কৰা সভাখনত উদ্বোধনী ভাষণত অধ্যক্ষ ড° ডিমাছা দিব্ৰাং মছাহাৰীয়ে নাৰীক সমাজৰ চালিকাশক্তি বুলি অভিহিত কৰি এগৰাকী নাৰীয়ে এখন ঘৰৰ পৰা এখন দেশ সুশৃংখলাবদ্ধভাৱে পৰিচালনা কৰিব পাৰে বুলি মন্তব্য কৰে ৷

# মাৰ্ঘেৰিটা চাহ বাগিচাত ফুটবল খেলুৱৈৰ মৃতদেহ উদ্ধাৰ

**ই সংবাদ, ৭মাৰ্চঃ** ফুটবলাৰৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই তীব্ৰ চাঞ্চ্যলৰ সৃষ্টি কৰিছে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত৷ মাৰ্ঘেৰিটা চাহ বাগিচাৰ বস্তি লাইনৰ বাসিন্দা হাজাৰী ওৰাং নামৰ ফুটবলাৰগৰাকীৰ মৃতদেহ জংঘলত উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে৷ একাংশ লোকে মাৰ্ঘেৰিটা চাহ বাগিচাত এটা মৃতদেহ এজোপা গছত ওলমি থকা অৱস্থাত প্ৰত্যক্ষ কৰে৷ তাৰ পাছতে মৃতদেহটো হাজাৰী ওৰাঙৰ বুলিপৰিয়ালে চিনাক্ত কৰে৷ ৩ মাৰ্চত ঘৰৰ পৰা ওলাই গৈ নিৰুদ্দেশ হৈ আছিল হাজাৰী ওৰাং৷ পৰিয়ালে মাৰ্ঘেৰিটা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল৷ আৰক্ষীয়ে এজাহাৰক গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হয়৷ ইতিমধ্যে মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে৷ আৰক্ষীয়ে ঘটনাক লৈ তদন্ত আৰম্ভ কৰা বুলিও জানিব পৰা গৈছে৷ এয়া আত্মহত্যা নে হত্যা কাণ্ড ইয়াকে লৈ আৰক্ষীয়ে মন্তব্য দিয়া নাই৷ মৃতদেহ উদ্ধাৰ হোৱাত পৰিয়ালত হাহাকাৰ লাগিছে৷ ভাতৃ বিষ্ণু ওৰাঙে ভাতৃক হেৰুৱাই দুখত ভাগি পৰি হত্যাকাণ্ড হোৱাৰ সন্দেহ কৰি আৰক্ষীক তদন্ত কৰাৰ দাবী জনায়৷ ফুটবলৰ প্ৰতি ভাতৃ আগৰণুৱা আছিল আৰু ফুটবল বাবে জনপ্ৰিয় আছিল বুলিও কয় ওৰাঙে৷

# খুমটাই সাংবাদিক সন্থাৰ সমিতি গঠন

**ই-সংবাদ, খুমটাই, ৭ মাৰ্চঃ** গোলাঘাট জিলাৰ খুমটাইৰ সাংবাদিকসকলৰ উমৈহতীয়া অনুষ্ঠান খুমটাই আঞ্চলিক সাংবাদিক সন্থাৰ নতুন সমিতি গঠন কৰা হয়। কাৰ্যনিৰ্বাহকত লোৱা প্ৰস্তাৱ অনুসৰি খুমটাইৰ কেপ্তেইন জিণ্টু গগৈ স্মাৰক ভৱনত সভাপতি বাবুল গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাংবাদিক চন্দন বৰাই। সভাত বিনয় ৰাজখোৱাক উপদেষ্টা, নবীন গোহাঁইক সভাপতি, বাবুল গগৈক কাৰ্যকৰী সভাপতি, সাৰঙ্গ তামুলী আৰু চন্দন বৰাক উপ-সভাপতি, বেদাংগ তামুলীক সাধাৰণ সম্পাদক, দীপজ্যোতি তামুলী আৰু মৃদুস্মন্ত বৰুৱাক যুটীয়াসম্পাদক, দীপক হাজৰিকাক সাংগঠনিক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। হিচাপ দাখিল, প্ৰতিবেদন পাঠ, নিৰ্মীয়মাণ অৱস্থাত থকা কাৰ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণকেইবাটাও বিষয়ৰ ওপৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয়


# শেষ পৃষ্ঠা

## পুলিচ ক্ৰীড়াৰ কাবাডী আৰম্ভ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৭ মাৰ্চঃ** আজিৰে ইয়াৰ মানদাকাটা প্ৰথম অসম কামাণ্ডো বেটেলিয়ন চৌহদত অসম আৰক্ষী ক্ৰীড়া সমাৰোহৰ কাবাডী প্ৰতিযোগিতা আৰম্ভ হৈছে। তিনিদিনীয়া প্ৰতিযোগিতাখনত পুৰুষ মহিলা উভয় শাখাতে মুঠ ১৭ টা দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনী অহা ৯ মাৰ্চৰ দিনা সামৰণি পৰিব।

## ধৰমশালা টেষ্টত বেকফুটত ইংলেণ্ড

**ধৰমশালা, ৭ মাৰ্চঃ** ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্টৰ আজি প্ৰথম দিনা বেকফুটত পৰিছে ইংলেণ্ড। টচত জয়ীহৈ প্ৰথমে বেটিং কৰা ভ্ৰমণকাৰী দলটোৱে ৫৭.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ২১৮ ৰান। দলৰহৈ জেক ক্ৰাউলীয়ে সৰ্বাধিক ৭৯ ৰান কৰে। শততম টেষ্টত ভাগলোৱা জনী বেয়াৰ্ষ্টউই ২৯ আৰু বেন ডুকেটৰ বেটৰ পৰা আহে ২৭ ৰান। এটা সময়ত তিনি উইকেটত ১৩৭ ৰান সংগ্ৰহ কৰা ইংলেণ্ডে ১৭৫ ৰানতে তিনিটাকৈ উইকেট হেৰুৱাই বিপদত পৰে। ভ্ৰমণকাৰী দলটোৱে অন্তিম সাতটা উইকেট মাত্ৰ ৪৩ ৰানত হেৰুৱাই। দলটোৰ এই পতনৰ মূলত হ'ল কুলদীপ যাদব আৰু ৰবীচন্দ্ৰন অশ্বিনৰ স্পিন বলিং। কুলদীপে ৭২ ৰানত পাঁচটা আৰু অশ্বিনে ৫১ ৰানত চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে প্ৰথম ইনিংছ মুকলি কৰি যশস্বী জয়চোৱালে ৫৭ ৰান কৰি আউট হয়। দিনান্তত ৰোহিত শৰ্মাই ৫২ আৰু শুভমন গিলে ২৬ ৰান কৰি ক্ৰিজত আছে। হাতত নটা উইকেট বাকী থকা অৱস্থাত ভাৰতীয় দল ৮৩ ৰানত পিছপৰি আছে। আজি জনী বেয়াৰ্ষ্টউ আৰু ৰবীচন্দ্ৰন অশ্বিনে এশখন টেষ্টত অংশগ্ৰহণ কৰাৰ কৃতিত্ব অৰ্জন কৰে। ইয়াৰ উপৰিও ভাৰতৰ হৈ দেৱদত্ত পাদিকালৰ টেষ্টত অভিষেক ঘটে।



## অনলাইন যৌন নিৰ্যাতন চক্ৰৰ বলি হৈ ৯লাখ টকা হেৰুৱালে চিকিৎসকে




**ই সংবাদ, দিল্লীঃ** অনলাইন যৌন নিৰ্যাতন চক্ৰৰ বলি হৈ ৯ লাখ টকা হেৰুৱাবলগীয়া হ'ল দিল্লীৰ এগৰাকী ৭১ বৰ্ষীয় চিকিৎসকে। এই ঘটনাৰ পিছতে চিকিৎসকগৰাকীৰ এজাহাৰৰ ভিত্তিত অভিযান চলাই অভিযুক্ত দুই ভাতৃক গ্ৰেপ্তাৰ কৰে দিল্লী আৰক্ষীয়ে। জানিব পৰা মতে, নিশা এটা ভিডিঅ' কল লাভ কৰিছিল দিল্লীৰ চিকিৎসকগৰাকীয়ে। কোনো ৰোগীৰ জৰুৰী কল বুলি ভাবি তেওঁ ভিডিঅ' কলটো ৰিচিভ কৰাৰ পিছতে মোবাইল স্ক্ৰীণত প্ৰত্যক্ষ কৰে এগৰাকী উলংগ যুৱতীক। ইয়াৰ পিছতে তেওঁ কলটো কাটি দিয়ে যদিও অপৰাধীৰ চক্ৰটোৱে তেওঁক ব্লেকমেইল কৰি ৯ লাখ টকাৰ দাবী কৰে। চিকিৎসকগৰাকীয়ে নিজৰ সন্মানৰ খাতিৰত ৯ লাখ টকা চক্ৰটোক প্ৰদান কৰাৰ পিছত এই সন্দৰ্ভত দিল্লী আৰক্ষীৰ ওচৰত এখন এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিতে আৰক্ষীয়ে তদন্ত চলাই অৱশেষত ৰাজস্থানৰ মেৱাট অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় দুই ভাতৃক। ধৃত ভাতৃদ্বয়ৰ পৰা ৭টা মোবাইল ফোন আৰু কেইবাটাও বেংক একাউণ্ট জব্দ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে সদৰী কৰা মতে, এই দুষ্ট চক্ৰটোৱে দিল্লীৰ বাহিৰেও বিহাৰ, গুজৰাট, উত্তৰ প্ৰদেশ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ আৰু ৰাজস্থানত অনলাইনৰ জাল পাতি বহু ভুক্তভোগীৰ পৰা ধন সৰকাই আহিছিল।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান